# **REGIONAL NEWS UNIT**
# AKASHVANI, GUWAHATI
0000000000

**Date :** 20-12-2024
**Time :** 1715 Hrs

***Assamese Evening Bulletin***

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি নগাওঁত অনুষ্ঠিত বিকাশৰ বাবে ১২ দিন কাৰ্যসূচীত অংশগ্ৰহণ কৰি মেধাৱী শিক্ষাৰ্থীসকলক স্কুটি, চাইকেল আৰু নগদ ধন বিতৰণ কৰে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই প্ৰজ্ঞান ভাৰতীৰ ডঃ বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত ৩ হাজাৰ ৪৫০ গৰাকী মেধাৱী শিক্ষাৰ্থীক স্কুটি আৰু আনন্দৰাম বৰুৱা বঁটাৰ অধীনত এহেজাৰ ৮৫৬ গৰাকী শিক্ষাৰ্থীক নগদ ধন বিতৰণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি নৱম শ্ৰেণীত অধ্যয়নৰত ১৬ হাজাৰ ৫৬০ গৰাকী শিক্ষাৰ্থীৰ মাজত চাইকেল বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এই অনুষ্ঠানত ৰাজহ মন্ত্ৰী কেশৱ মহন্ত, সাংস্কৃতিক মন্ত্ৰী বিমল বৰাৰ লগতে বিধায়ক ৰূপক শৰ্মা, জিতু গোস্বামী, দীপুৰঞ্জন শৰ্মা আৰু শশীকান্ত দাস উপস্থিত থাকে। মুখ্যমন্ত্ৰীগৰাকীয়ে নগাওঁৰ আমবাগানত অনুষ্ঠিত এখন জনসভাতো আজি অংশগ্ৰহণ কৰে। জলসম্পদ মন্ত্ৰী পিযুষ হাজৰিকাই আজি তেজপুৰত শোণিতপুৰ জিলাৰ ৭৩৭ গৰাকী মেধাৱী শিক্ষাৰ্থীক নগদ ধন আৰু এহেজাৰ ৬৪১ গৰাকী শিক্ষাৰ্থীক স্কুটি বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। মন্ত্ৰীগৰাকীয়ে শিক্ষাৰ্থীসকলক চাইকেল বিতৰণ কাৰ্যসূচীৰো শুভাৰম্ভ কৰে। মন্ত্ৰী অশোক সিংহালে বিশ্বনাথ চাৰিআলিত অনুষ্ঠিত বিকাশৰ বাবে ১২ দিন কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

00000

গুৱাহাটী মহানগৰীত কংগ্ৰেছ দলে ৰূপায়ণ কৰা এটা প্ৰতিবাদী কাৰ্যসূচীৰ সময়ত আজি দলৰ সভাপতি ভূপেন বৰাকে ধৰি কেইবাজনো নেতা-কৰ্মীক আৰক্ষীয়ে আটক কৰে। প্ৰয়াত কংগ্ৰেছ কৰ্মী মৃদুল ইছলামৰ প্ৰতিকৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন আৰু তেওঁৰ মৃত্যু ন্যায়িক তদন্ত বিচাৰি কংগ্ৰেছ কৰ্মীসকলে মহানগৰীৰ হাতীগাঁও চাৰিআলিত সমবেত হৈ দিছপুৰৰ জনতাভৱনলৈ অগ্ৰসৰ হোৱাৰ চেষ্টা কৰে। আৰক্ষীয়ে প্ৰতিবাদকাৰীসকলক প্ৰতিহত কৰে আৰু প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, দলটোৰ জ্যেষ্ঠ নেতা ৰিপুন বৰা, বিধায়ক দিগন্ত বৰ্মন আৰু জাকিৰ হুছেইন ছিকদাৰ, যুৱ নেতা ৰাতুল কলিতাকে ধৰি ভালেসংখ্যক নেতা-কৰ্মীক আটক কৰে। ইয়াৰ পাছতো একাংশ কংগ্ৰেছ কৰ্মী আৰক্ষীৰ বাধা-নিষেধ নেওচি জনতাভৱনলৈ যোৱাৰ চেষ্টা কৰে। আৰক্ষীয়ে এইসকলৰ মাজৰ পৰাও ভালে সংখ্যকক আটক কৰে আৰু বাকীসকলক আঁতৰাই পঠিয়ায়। এই বাতৰি লিখাৰ পৰলৈকে ভূপেন বৰাকে ধৰি কংগ্ৰেছ নেতাসকলক কাহিলী পাৰাৰ দশম আৰক্ষী বেটেলিয়নৰ চৌহদত ৰখা হৈছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে তেওঁলোকৰ নেতাসকলক আটক কৰা কাৰ্যক গৰিহণা দিছে আৰু ইয়াক অগণতান্ত্ৰিক বুলি অভিযোগ কৰিছে।

00000

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছ দলে যোৱা দুদিনত গুৱাহাটীকে ধৰি ৰাজ্যখনৰ বিভিন্ন ঠাইত আইন-শৃংখলাজনিত পৰিস্থিতি সৃষ্টি কৰাৰ প্ৰয়াস কৰিছে বুলি অভিযোগ কৰিছে। আজি নগাঁৱত বিকাশৰ ১২ দিন কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পাছত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয়, যে প্ৰদেশ কংগ্ৰেছৰ কেইজনমান নেতাৰ মাজত বৰ্তমান শ্ৰেষ্ঠত্বৰ প্ৰতিদ্বন্দিতা চলিছে আৰু ইয়াৰ মাজত গুৱাহাটীৰ জনসাধাৰণক পণবন্দী কৰা হৈছে। পথত আন্দোলন কৰাটো ৰাজনৈতিক দলৰ কাম নহয় বুলি ড০ শৰ্মাই মন্তব্য কৰে। কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীয়ে কালি লোকসভাত কৰা আচৰণ কোনো পধ্যেই গ্ৰহণযোগ্য নহয় বুলিও তেওঁ মন্তব্য কৰে।

০০০০০

গুৱাহাটীত কৰ্তব্যৰত সাংবাদিকৰ ওপৰত যোৱা বুধবাৰে আৰক্ষীয়ে চলোৱা নিৰ্যাতনৰ বিৰুদ্ধে শিৱসাগৰ জিলাখনৰ ই-মিডিয়া সংস্থাৰ সদস্যসকলে আজি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। ঐতিহাসিক শিৱদৌলৰ সন্মুখত সংস্থাটোৰ সদস্যসকলে ক'লা বেজ পৰিধান কৰি সাংবাদিকৰ নিৰাপত্তা সুনিশ্চত কৰাৰ দাবী জানায়। অসমীয়া যুৱ মঞ্চ, আটাছু, ছাত্ৰ মুক্তিকে ধৰি কেইবাটাও দল-সংগঠনৰ নেতা-কৰ্মীয়ে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

০০০০০

স্বেচ্ছাসেৱী অনুষ্ঠান **পথিক**লৈ ভাৰতীয় ষ্টেট বেংকে আগবঢ়োৱা **মুক্তিপথ** নামৰ দুখন মৃতদেহ কঢ়িওৱা বাহন সেৱা আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। আজি দিনৰ ১১ বজাত দিছপুৰৰ লাষ্টগেটৰ গুৱাহাটী পৌৰ নিগমৰ চৌদহত আয়োজিত এটা অনুষ্ঠানত শ্ৰীমন্ত শংকৰদেৱ বিশ্ব বিদ্যালয়ৰ সঞ্চালক ডাঃ অমল কটকী, গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ উপ-অধিক্ষক ডাঃ উজ্বল শৰ্মা, ভাৰতীয় ষ্টেট বেংকৰ সহকাৰী মহাপ্ৰবন্ধক সুজিত দে আৰু আঞ্চলিক দন্ত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ডাঃ ৰবি কটকীয়ে। অনুষ্ঠানত সহকাৰী মহাপ্ৰবন্ধক দে ই মুক্তিপথ বাহন দুখনৰ ছাবি পথিকৰ সঞ্চালক ভিক্টৰ ৰাজকুমাৰৰ হাতত আনুষ্ঠানিকভাৱে প্ৰদান কৰে। অনুষ্ঠানত উদ্যোগপতি সুশীল কুমাৰ ছাৰফ, গুৱাহাটী পৌৰ নিগমৰ কাৰ্যবাহী অভিযন্তা হিৰণ্য কুমাৰ হাজৰিকাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত আছিল। উল্লেখযোগ্য যে, স্বেচ্ছামূলক ৰক্তদান, অংগদান, কৰ্কট সজাগতা, মানসিক স্বাস্থ্য আদি বিভিন্ন ক্ষেত্ৰত কাম কৰি অহা **পথিক** নামৰ এই স্বেচ্ছাসেৱী সংগঠনটোৱে অহা ২৬ জানুৱাৰীত ৪ বছৰ সম্পূৰ্ণ কৰিব।

০০০০০

সমাপ্ত